# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 07-03-2026
**Time :** 0755 Hrs.

# *Assamese Morning Bulletin*

০০০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী কুচকাৱাজ আৰম্ভ হৈছে। বিজেপিয়ে আজি সৰুপথাৰ, গোলাঘাট, খুমটাই আৰু দেৰগাঁৱত জন আশীৰ্বাদ যাত্ৰা উলিয়াব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি নাহৰকটীয়া আৰু খোৱাঙত জন আশীৰ্বাদ যাত্ৰাত অংশ লয়। এই যাত্ৰাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী বিমল বৰা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই মুখ্যমন্ত্ৰীক সংগ দিয়ে। শতাধিক লোকে এই আশীৰ্বাদ যাত্ৰাত অংশ লোৱাৰ লগতে গায়ন-বায়ন আৰু পুষ্পবৃষ্টিৰে মুখ্যমন্ত্ৰীগৰাকীক আদৰণি জনায়। কংগ্ৰেছ, অসম জাতীয় পৰিষদকে ধৰি বিৰোধীৰ মিত্ৰতা সন্দৰ্ভত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈৰ উপস্থিতিত কালি গুৱাহাটীত বিৰোধী ঐক্যৰ মাজত আলোচনা অনুষ্ঠিত হয়। অৱশ্যে কালিও বিৰোধী মিত্ৰতা চূড়ান্ত নহ'ল। শাসনাধিষ্ঠিত বিজেপিৰ দৰে বিৰোধী পক্ষই শীঘ্ৰেই ঐক্যবদ্ধভাৱে নিৰ্বাচনী প্ৰচাৰত নামিব বুলি শ্ৰীগগৈয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে।

০০০০০০০

চৰাইদেউ জিলাৰ সোণাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত লংপতীয়া ৰে'লৰে ষ্টেচনটো কালিৰ পৰা পুনৰ সক্ৰিয় হৈ উঠিছে। সোণাৰী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে কালি লিডু-ৰঙিয়া এক্সপ্ৰেছ ৰে'লগাড়ীখনৰ লংপতীয়া ষ্টেচনত পতাকা জোকাৰি শুভাৰম্ভ কৰে। উল্লেখযোগ্য যে, কোভিডৰ সময়ৰপৰাই এই ষ্টেচনটো নিষ্ক্ৰিয় হৈ আছিল আৰু অঞ্চলটোৰ ৰাইজে ইয়াক সক্ৰিয় কৰি তুলিবলৈ দীৰ্ঘদিন ধৰি দাবী উত্থাপন কৰি আহিছিল। ষ্টেচনটো পুনৰ কাৰ্যক্ষম হোৱাৰ ফলত ছাত্ৰ-ছাত্ৰী, ক্ষুদ্ৰ ব্যৱসায়ী আৰু চৰকাৰী, বে-চৰকাৰী কৰ্মচাৰীসকল বিশেষভাৱে উপকৃত হ'ব বুলি আশা কৰা হৈছে। ৰাইজৰ প্ৰয়োজনীয়তাক অগ্ৰাধিকাৰ দি চৰকাৰে এই পদক্ষেপৰ জৰিয়তে অঞ্চলটোৰ যোগাযোগ ব্যৱস্থাক এক নতুন মাত্ৰা প্ৰদান কৰিব বুলি বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে প্ৰকাশ কৰে।

*-বাইট-*

০০০০০০০

কেন্দ্ৰীয় মীন, পশুপালন আৰু দুগ্ধ উৎপাদন দপ্তৰৰ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে আজি অসমত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। এই উপলক্ষে যোৰহাটৰ কলিয়াপানীত বিয়লি ৩ বজাত হ'বলগীয়া অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ বিভিন্ন জিলাত নিৰ্মাণ হ'বলগীয়া কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। ইয়াৰ ভিতৰত যোৰহাট আৰু ডিব্ৰুগড়ত দুটা দৈনিক একলাখ লিটাৰ ক্ষমতাযুক্ত দুগ্ধ সংশোধন প্ৰকল্প, ধেমাজিৰ ৰঙাজানত দৈনিক ৫০ হাজাৰ লিটাৰ ক্ষমতাযুক্ত দুগ্ধ সংশোধন প্ৰকল্প আৰু শিৱসাগৰ আৰু শ্ৰীভূমিত দুখন মাল্টিকেয়াৰ পশু চিকিৎসালয় প্ৰকল্প আছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে গোলাঘাট, লখিমপুৰ, তিনিচুকীয়া আৰু কামৰূপ জিলাত নিৰ্মাণ কৰা চাৰিখন মাল্টিকেয়াৰ পশু চিকিৎসালয় উদ্বোধন কৰিব। অনুষ্ঠানত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পাল, সমবায় মন্ত্ৰী যোগেন মহন, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, মন্ত্ৰী প্ৰশান্ত ফুকন আৰু মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী উপস্থিত থাকিব।

০০০০০০০

গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যম শক্তিশালী হ'লে দেশৰ ভেঁটি শক্তিশালী হ'ব। ডিব্ৰুগড়ৰ চৌকিডিঙীত থকা দক্ষিণ জালান চাহ বাগিচাত ডিব্ৰুগড় প্ৰেছ ক্লাৱৰ স্থায়ী কাৰ্যালয়ৰ আধাৰশিলা স্থাপন কৰি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি এই কথা প্ৰকাশ কৰে। মন্ত্ৰী সোণোৱালে কয়, যে ৫০ বছৰ অতিক্ৰম কৰা ঐতিহ্যমণ্ডিত ডিব্ৰুগড় প্ৰেছ ক্লাৱে অচিৰেই এটা স্থায়ী ঠিকনা লাভ কৰিব। ডিব্ৰুগড়ৰ পৰা গুণগত সংবাদ সেৱাৰ প্ৰসাৰেৰে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ ভেঁটি সুদৃঢ় কৰাত সৰল ভূমিকা পালন কৰি অহা সাংবাদিকসকলক তেওঁ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি কয়, যে সাংবাদিকসকলে নিষ্ঠাৰে সংবাদসেৱা আগবঢ়াই যোৱা উচিত।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাও কালিৰ আধাৰশিলা স্থাপন অনুষ্ঠানত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে ডিব্ৰুগড় প্ৰেছ ক্লাৱে ৫০ বছৰৰ পাছত এটা অত্যাধুনিক ভৱন লাভ কৰিব আৰু ভৱনটোৰ নিৰ্মাণৰ কাম সময়মতে সম্পন্ন হ'ব। আধাৰশিলা স্থাপন অনুষ্ঠানত সাংসদ ৰামেশ্বৰ তেলী, মন্ত্ৰী প্ৰশান্ত ফুকন, বিধায়ক বিনোদ হাজৰিকা আৰু চক্ৰধৰ গগৈ, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ তথা চাহ বাগিচাখনৰ স্বত্বাধিকাৰীৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ নাৰী শক্তিক চৰকাৰী ব্যৱস্থাপনাৰ দায়িত্ব অৰ্পনেৰে অধিক সৱল কৰাৰ লক্ষ্য ঘোষণা কৰিছে। এই অনুসৰি কালি তিনিচুকীয়াৰ নতুন আৰ্ত ভৱনৰ পৰিচালনাৰ দায়িত্ব **বান্ধৱী জনকল্যাণ আত্মসহায়ক গোট**ক অৰ্পণ কৰা হয়।

উল্লেখযোগ্য যে, ২০২২-২৩ বিত্তীয় বৰ্ষৰ ৰাজ্যৰ শ্ৰেষ্ঠ আত্মসহায়ক গোট ৰূপে স্বীকৃতিপ্ৰাপ্ত এই গোটটোৱে ASRLMৰ তত্বাৱধানত IIHM গুৱাহাটীৰ পৰা প্ৰশিক্ষণ লাভ কৰে। গোটটোৰ দক্ষ সদস্যাসকলে ২০২৫-২৬ বৰ্ষত ৭ লাখ এহেজাৰ টকাৰ ব্যৱসায়িক সফলতাৰে এক নতুন নিদৰ্শন দাঙি ধৰিবলৈ সমৰ্থ হয়।

০০০০০০০

লখিমপুৰ জিলাৰ ঢকুৱাখনা সমষ্টিৰ উত্তৰ ঢকুৱাখনা পঞ্চায়তৰ মহেমাৰীত কালি অসম চৰকাৰৰ জলসম্পদ বিভাগৰ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ খহনীয়া প্ৰতিৰোধী ৩ খন আঁচনিৰ অধীনত মথাউৰি নিৰ্মাণ কাৰ্য শুভাৰম্ভ কৰা হয়। পি ডি এন এ পুঁজিৰ শিতানত তিনিওখন আঁচনিৰ জৰিয়তে অঞ্চলটোত খহনীয়া ৰোধ কৰিবলৈ মথাউৰি নিৰ্মাণ কৰা হ'ব। নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ অনুষ্ঠানত লখিমপুৰ জিলা পৰিষদৰ সভানেত্ৰী, সমজিলা আয়ুক্তকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে।

০০০০০০০

**সমাপ্ত**